জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৬০/২০২১**

# বিশিষ্ট ভাষাবিদ-সাহিত্যিক ড° ৰমেশ পাঠকৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ জানুৱাৰী ঃ** বিশিষ্ট ভাষাবিদ-সাহিত্যিক, শিক্ষাবিদ ড° ৰমেশ পাঠকৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ড° ৰমেশ পাঠকে আমাৰ ভাষা-সাহিত্য জগতলৈ যি অনৱদ্য অৰিহণা আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসমীয়া ভাষাৰ বিকাশ সাধনৰ বাবে তেখেতৰ চিন্তাপ্ৰসূত গ্ৰন্থৰাজিয়ে অসমীয়া সাহিত্য জগতখনলৈ নতুন মাত্ৰা কঢ়িয়াই আনিছিল। তেখেতৰ তত্ত্ব গধুৰ গ্ৰন্থ কেইখনে আমাৰ সাহিত্য জগতখনক সমৃদ্ধ কৰি থৈ গৈছে। এগৰাকী চিন্তাশীল লেখক হিচাপে পৰিচিত প্ৰয়াত ৰমেশ পাঠকে অসমীয়া সমালোচনাত্মক সাহিত্যৰ ধাৰা আগুৱাই নিয়াৰ ক্ষেত্ৰত বিশিষ্ট বৰঙনি যোগাই গৈছে। এগৰাকী শিক্ষাবিদ হিচাপেও তেখেতে বিদ্যায়তনিক দিশৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত অমূল্য অৰিহণা যোগাই গৈছে। এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ শৈক্ষিক তথা সাহিত্য জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° ৰমেশ পাঠকৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° ৰমেশ পাঠকৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য সচিবক ইতিমধ্যে নিৰ্দেশ দিছে।

আনহাতে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে প্ৰয়াত ড° ৰমেশ পাঠকৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তা যোগে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে বৰেণ্য পণ্ডিত, সাহিত্যিক, ভাষাবিদ, সমালোচক তথা বিশিষ্ট নিবন্ধকাৰ ড° ৰমেশ পাঠকৰ মৃত্যু আমাৰ ভাষা-সাহিত্য জগতৰ বাবে অপূৰণীয় ক্ষতি। অসমীয়া ভাষা-সাহিত্যৰ আজীৱন সাধক ড° ৰমেশ পাঠকে তেখেতৰ সৃষ্টিৰাজিৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধি কৰি থৈ গৈছে।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত ড° ৰমেশ পাঠকৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ক্ৰমে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে আজি নৱগ্ৰহ শ্মশানলৈ গৈ বিশিষ্ট ভাষাবিদগৰাকীৰ নশ্বৰ দেহত মুখ্যমন্ত্ৰীৰ হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২৭/১/২০২১**